ক) আয়ের সংজ্ঞা : সাধারণ অর্থে 'আয়' বলি কালে এজন ব্যক্তিয়ে নির্দিষ্ট সময় কাম করার পাছত যি পরিশ্রমিক, মুদ্রার আকারত পায় তাকে বুজায়। কিন্তু মুদ্রাআয়র উপরিও ব্যক্তিয়ে আন সা-সুবিধা ভোগ করে, এক সুবিধা সমূহকো আয় বুলি কব পারি। পরিবারর আয় বুলিলে এটা পরিবারর এজন সদস্য বা কেইবাজনে করা উপার্জনক পরিবারর আয় বোলে। অর্থাৎ এটা পরিবারর নির্দিষ্ট সময়র ভিতরত পরিবারটোলে অথবা উক্ত পইসা আরু আন আন সামগ্রীর পরিমাণ আরু সেবারে বুজায়।

নিকেল আরু ডর্সি (Nickel and Dorsey)

ভাষাত ক'বলৈ গ'লে— পৰিয়ালৰ আয় হ'ল পৰিয়ালটোৱে অহা টকা-পইছা, সা-সামগ্ৰী, সেৱা আৰু সন্তুষ্টি আদি যাৰ সহায়েৰে পৰিয়ালৰ আশা আকাঙ্খা আৰু প্ৰয়োজনসমূহ পূৰণ কৰাৰ লগতে কেতবোৰ দায়িত্ব পালন কৰিব পাৰে।

এই পাঠটিৰ আৰম্ভণিতে উল্লেখ কৰা উদাহৰণটোলে মন কৰা। তোমাৰ খুবাৰ পৰিয়ালৰ আয়ৰ ভিতৰত তেখেতে মাহিলী পোৱা বেতন, ঘৰ ভাড়াৰ পঁইা পোৱা আয় আৰু তেওঁ চৰকাৰী ঘৰত থকাৰ সুবিধা আৰু তেওঁৰ পৰিবাৰে কৰা উপাৰ্জন আদি পৰে। আয়ৰ ভিতৰত ব্যক্তিয়ে পোৱা বিভিন্ন সা-সুবিধা সমূহ যেনে টেলিফোন সেৱা, গাড়ী, পেট্ৰলৰ খৰচ, বাতৰি কাকতৰ সুবিধা আদিও অন্তৰ্ভূক্ত। এই সকলোবোৰ আয়ৰ যোগেদি এটা পৰিয়ালৰ সদস্য সকলৰ আশা আকাঙ্খ্যা প্ৰয়োজন পূৰণ কৰি, যি সন্তুষ্টি লাভ কৰে সেয়াও আয়ৰ অন্তৰ্ভূক্ত।

খ) আয়ৰ প্ৰকাৰ (Types of Income) :

পৰিয়ালৰ আয়ক তিনিটা ভাগত ভাগ কৰা হৈছে অৰ্থাৎ আয় তিনি প্ৰকাৰৰ যেনে—মুদ্ৰাগত আয় (Money Income), প্ৰকৃত বা দ্ৰব্যগত আয় (Real Income), চাইকিক বা মানসিক আয় (Psychic Income)

১) মুদ্ৰাগত আয় (Money Income) :

হ'ল এনে এক আয়, যিবোৰ মুদ্ৰা বা টকা পইছাৰ আকাৰত পোৱা যায়। এজন ব্যক্তিয়ে এটা নিৰ্দিষ্ট সময়ত কোনো অনুষ্ঠান, প্ৰতিষ্ঠান উদ্যোগ আদিত কাম কৰি, ব্যবসায় আদি কৰি যি আয় মুদ্ৰাৰ আকাৰত পায় তাক মুদ্ৰাগত আয় বুলি কোৱা হয়। এই আয় বেতন, পেঞ্চন, সুত, লাভ, উপহাৰ হিচাপে পাব পাৰে। ই সাপ্তাহিক, পখেকীয়া, মাহেকীয়া, বছেৰেকীয়া হ'ব পাৰে। এই আয়ৰ যোগেদি ব্যক্তিয়ে ক্ৰয় ক্ষমতা লাভ কৰে, ফলত প্ৰয়োজন সমূহ পূৰণ কৰিবলৈ সুবিধা হয়।



১) প্ৰকৃত আয় বা দ্ৰব্যগত আয় (Real Income) ঃ প্ৰকৃত আয় পৰিয়াললৈ এটা নিৰ্দিষ্ট সময়ৰ বাবে 'দ্ৰব্য' বা 'সেৱাৰ' আকাৰে আহে। পৰিয়াললৈ প্ৰকৃত আয় প্ৰত্যেক্ষ বা পৰোক্ষ দুই ধৰণেৰে আহে।

(ক) প্ৰত্যক্ষ প্ৰকৃত আয় (Direct Real Income) ঃ ই হ'ল এনে এক আয়, যিটো মুদ্ৰাগত আয় ব্যয় নকৰাকৈ পৰিয়ালৰ সদস্যসকলে ভোগ কৰে। অৰ্থাৎ এজন ব্যক্তিয়ে এটা অনুষ্ঠানত কাম কৰাৰ বিনিময়ত অনুষ্ঠানৰ পৰা যদি থকা ঘৰৰ সুবিধা, যাতায়তৰ বাবে গাড়ী, ঘৰ বা সহায়ক পায় তেনে আয়ক প্ৰত্যক্ষ প্ৰকৃত আয় বুলি কোৱা হয়। ইয়াৰ উপৰিও কোনো কোনো বিভাগ বা দপ্তৰত কাম কৰা ব্যক্তিয়ে ইউনিফৰ্ম, ল'ৰা-ছোৱালীৰ শিক্ষাৰ সুবিধা, চিকিৎসাৰ সুবিধা আদিও কৰ্মচাৰীসকলক প্ৰদান কৰে। তেনে ক্ষেত্ৰত ব্যক্তিজনৰ বাবে এনে সুবিধাবোৰ হ'ল প্ৰত্যক্ষ প্ৰকৃত আয়।

(খ) পৰোক্ষ প্ৰকৃত আয় (Indirect Real Income) ঃ পৰোক্ষ প্ৰকৃত আয় বুলিলে এনে আয় বুজায় যিবোৰ ব্যক্তিয়ে মানৱ সম্পদ যেনে— জ্ঞান, কৌশল, দক্ষতা আদি সু-ব্যৱহাৰৰ যোগেদি অৰ্জন কৰে। যেনে— থকা ঘৰৰ চাৰিওফালে যদি মাটি থাকে তাত শাক-পাচলি কৰি, গৰু ৰাখি, পোছাক ঘৰতে চিলাই, গুঠি, ৰঙ কৰি, ল'ৰা-ছোৱালীক পিতৃ-মাতৃয়ে নিজে শিক্ষা দি আদি নানান কাম কৰি প্ৰকৃত আয় বঢ়াব পাৰি।

এই বিলাকৰ উপৰিও চৰকাৰে দিয়া সমূহীয়া সা-সুবিধাসমূহ যেনে— পাৰ্ক, পুথিভঁৰাল, বিনামূলীয়া চিকিৎসা, শিক্ষা অনুষ্ঠানত শিক্ষা লৈ, নানান সুবিধা গ্ৰহণ কৰিও প্ৰকৃত আয় ভোগ কৰিব পাৰি। যেতিয়া পৰিয়ালৰ সদস্যসকলে কোনো মুদ্ৰাগত আয় ব্যৱহাৰ নকৰাকৈ দ্ৰব্য বা সেৱা ভোগ কৰে যেনে এজন ব্যক্তিয়ে কাম কৰা অনুস্থানৰ পৰা যদি থকা ঘৰৰ সুবিধা পায়, যাতায়তৰ বাবে গাড়ী, কামকৰাৰ বাবে কোনো ব্যক্তি বা সহায়ক পায় তেনেক্ষেত্ৰত পৰিয়ালটোৰে কোনো ব্যয় বহন কৰিব নালাগে, এনে সুবিধাবোৰক প্ৰত্যক্ষ প্ৰকৃত আয় বোলে।

এতিয়া প্ৰকৃত আয়ৰ বিষয়ে গম পালা। তোমালোকৰ পৰিয়াললৈ অহা প্ৰকৃত আয়ৰ এখন তালিকা প্ৰস্তুত কৰিব পাৰিবা নে?

৩) মানসিক আয় (Psychic Income ঃ ই হ'ল মানসিক সন্তুষ্টি। ব্যক্তিয়ে কাৰ্য কৰি যি আয় কৰে সেই আয় ব্যৱহাৰ কৰি যি সন্তোষ লাভ কৰে, তেনে আয়ক মানসিক আয় কোৱা হয়। মানুহৰ সকলো কাৰ্য্যৰ গুৰিতেই হ'ল মানসিক সন্তুষ্টি বা তৃপ্তি লাভ কৰা। এইটোৱেই জীৱনৰ লক্ষ্য। সেয়েহে এই লক্ষ্য পূৰণৰ বাবে আন দুইবিধ আয় পাবলৈ চেষ্টা কৰে। মানসিক আয় দৃশ্যমান নহয়, জুখিব নোৱাৰি পৰিমাণত প্ৰকাশ কৰিব নোৱাৰি কিন্তু অনুভব কৰিব পাৰি। উদাহৰণ স্বৰূপে তোমাৰ এগৰাকী বাইদেউৰ বা দাদাৰ এটা সুন্দৰ ঘৰ বনোৱাৰ লক্ষ্য আছিল, তেওঁ সেই লক্ষ্য পুৰণৰ বাবে কাম কৰি প্ৰয়োজনীয় অৰ্থ আয় কৰিলে আৰু ঘৰটো বনালে। তাৰ পৰা তেওঁ যি সন্তোষ লাভ কৰিলে সেইয়া হ'ল তেওঁৰ মানসিক আয়।

(গ) আয়ৰ উৎস (Source of Income) ঃ পৰিয়াললৈ আয় [illegible] প্ৰকৃত আহিব পাৰে বা পৰিয়ালে আহৰণ কৰিব পাৰে, সেই বিভিন্ন উৎসবোৰ